[20-HKPGDEN-M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–03(Lang)]

(উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নবোৰৰ *এটা* বা *দুটা* বাক্যৰ ভিতৰত উত্তৰ লিখক : 1×8=8

(i) কি কি ভাষাগত বিভিন্নতাৰ কাৰণে উপভাষাৰ সৃষ্টি হয়?

(ii) ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা বুলিলে কি বুজে?

(iii) উপভাষা ভূগোলৰ প্ৰথম কিতাপখনৰ নাম লিখক। এইখন কোনে আৰু কোন চনত প্ৰকাশ কৰিছিল?

(iv) উপভাষা ভূগোল আৰু উপভাষা বিজ্ঞানৰ মাজত থকা যি কোনো দুটা পাৰ্থক্য উল্লেখ কৰক।

(v) ত্ৰয়োদশ শতিকাত প্ৰাচীন কামৰূপৰ ইতিহাসত কি উল্লেখযোগ্য ঘটনা সংঘটিত হৈছিল?

(vi) অসমীয়া ভাষাৰ শ্বাসাঘাত প্ৰসংগত বাণীকান্ত কাকতিয়ে উজনি অসমৰ উপভাষাত আৰু নামনি অসমৰ উপভাষাত শ্বাসাঘাত ক'ত পৰে বুলি কৈছে?

(vii) পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ গোৱালপৰীয়া উপভাষাত পোৱা যায়নে?

(viii) গোৱালপৰীয়া উপভাষাত ছয় প্ৰকাৰৰ কাৰক আৰু সম্বন্ধ পদৰ অৰ্থ প্ৰকাশ কৰিবলৈ কেইটা বিভক্তিৰ প্ৰয়োগ হয়?

(b) তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটো চিনাক্ত কৰক : 1×4=4

(i) মধ্য অসমৰ উপভাষাটোৰ আঞ্চলিক ৰূপৰ সংখ্যা

1. চাৰিটা
2. পাঁচটা
3. ছয়টা
4. সাতটা

(ii) মধ্য অসমৰ উপভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা

1. একৈশটা
2. বাইশটা
3. ত্রিশটা
4. চল্লিশটা

(iii) দৰঙী উপভাষাত শ্বাসাঘাতৰ স্থান

1. অনির্দিষ্ট
2. নির্দিষ্ট
3. নির্দিষ্ট নহয়
4. ইয়াৰ এটাও নহয়

(iv) দৰঙী উপভাষাৰ বিশেষ্য পদসমূহক অর্থৰ ভিত্তিত _____ টা ভাগত ভাগ কৰিব পাৰি।

1. দুই
2. তিনি
3. চাৰি
4. পাঁচ

(c) উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰক : 1×4=4

(i) টাই (আহোম) ভাষা _____ শাখাৰ ভাষাৰ অন্তর্গত।

(ii) দেউৰী ভাষীসকল মূলতঃ তিব্বত-বর্মীয় _____ শাখাৰ অন্তর্গত।

(iii) অসমক ভাষাৰ _____ বুলি কোৱা হয়।

(iv) ৰাভা ভাষা কোৱা ৰাভাসকলৰ বাবে ৰাভামিজ এটা এটা _____ ।

2. তলৰ যি কোনো পাঁচটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) উপভাষা গঠনত ক্রিয়া কৰা দিশসমূহ কি কি?

(b) সামাজিক জাতিগত উপভাষা আৰু সামাজিক শ্রেণীগত উপভাষাৰ মাজত থকা পার্থক্যসমূহ কি কি?

(c) উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা কি?

(Continued)

(d) উপভাষা জৰীপ কার্যৰ লগত জড়িত দিশসমূহ কি কি?

(e) উপভাষাৰ স্থানীয় ৰূপভেদ বুলিলে কি বুজে? উদাহৰণসহ চমুকৈ লিখক।

(f) সুৰ বা সুৰলহৰ বুলিলে কি বুজে?

3. তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) কামৰূপী উপভাষাত ধ্বনি পৰিৱর্তনৰ প্রক্রিয়াসমূহ কেনেধৰণৰ? উদাহৰণসহ চমুকৈ লিখক।

(b) ৰমেশ পাঠক, উপেন ৰাভা হাকাচাম আৰু সদানন্দ বেজবৰুৱাই গোৱালপৰীয়া উপভাষাক কি যুক্তিৰ আধাৰত আৰু কিদৰে বিভাজন কৰিছে, লিখক।

(c) মধ্য অসমৰ উপভাষাৰ শব্দসম্ভাৰৰ তালিকা আপোনাৰ পাঠত আছে। সেই তালিকাৰ আধাৰত আপুনি বাস কৰা অঞ্চলটোত কেনেধৰণৰ ঔপভাষিক শব্দসম্ভাৰৰ প্রচলন আছে তাক তালিকাভুক্ত কৰক।

(d) দৰঙী উপভাষাৰ বিষয়ে এটা টোকা লিখক।

(e) তিৰামিজ বা তিৰা-অসমীয়াৰ বিষয়ে এটা টোকা লিখক।

4. তলৰ যি কোনো তিনিটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) মধ্য অসমৰ উপভাষাৰ ধ্বনিতত্ত্বৰ লগত মান্য অসমীয়াৰ ধ্বনিতত্ত্বৰ এটা তুলনা আগবঢ়াওক।

(b) দৰঙী উপভাষাৰ ধ্বনিতত্ত্বৰ লগত মান্য অসমীয়াৰ ধ্বনিতত্ত্বৰ এটা তুলনা আগবঢ়াওক।

(c) তিৰামিজৰ ধ্বনিতত্ত্বৰ লগত কামৰূপী উপভাষাৰ ধ্বনিতত্ত্বৰ এটি তুলনা আগবঢ়াওক।

(d) চমু পৰিচয় আগবঢ়াওক—অসমৰ সংযোগী ভাষা।

5. তলৰ যি কোনো তিনিটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) ভাষা, ব্যক্তিভাষা, উপভাষা আৰু সামাজিক উপভাষাৰ মাজৰ সম্পর্ক নিৰূপণ কৰক।

(b) সামাজিক জীৱ হিচাপে মানুহে বিভিন্ন উপভাষা শিকাৰ উপযোগিতা কি? আপোনাৰ নিজস্ব অভিজ্ঞতালব্ধ জ্ঞানৰ মাধ্যমেদি আলোচনা কৰক।

(c) গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(d) সাম্প্রতিক সময়ৰ পৰিপ্রেক্ষিতত সংযোগী ভাষাৰ গুৰুত্ব কি—অসমীয়া ভাষাৰ শিক্ষার্থী হিচাপে তথা নিজস্ব অভিজ্ঞতালব্ধ জ্ঞানৰ আধাৰত এটা যথাযথ উত্তৰ প্রস্তুত কৰক।

★★★